# পাঠ - ১৮
# আজৰি সময়ৰ ব্যৱহাৰ

H3C8S7

বিদ্যালয় ছুটী হোৱাৰ পাছত তোমালোকে ঘৰলৈ ঘূৰি যোৱা। ঘৰত কিবা এটা খায়েই তোমালোকৰ বন্ধুতে খেলিবলৈ ওলাই যোৱা। তোমালোকে নিশ্চয় সময় বুজি বেলেগ বেলেগ খেল খেলা।






মাৰ্বল, ঘিলা, চিলা উৰুওৱা,
বল, ভেকুলী-জাঁপ দিয়া, লুডু, কড়ি, কেৰম
আদি খেলবোৰ খেলি পাইছানে?






ইয়াৰে কিছুমান খেল হয়তো তুমি খেলা নাই। কিন্তু, এইবিলাকৰ বাহিৰে আন কিছুমান খেল খেলিছা। সময়ৰ লগে লগে আগতে খেলা কিছুমান খেল নোহোৱা হৈ যায়, আকৌ নতুন কিছুমান খেল তোমালোকে খেলিবলৈ লোৱা।

➤ খেলা-ধূলা কৰিলে আমাৰ বাৰু কি ধৰণৰ উপকাৰ হয় লিখা—

এটা কথা নিশ্চয় ধৰিব পাৰিছা যে খেল খেলিলে মনত আনন্দ পোৱা যায় আৰু শৰীৰ সুস্থ-সবল হয়। খেল খেলোঁতে লগৰীয়াসকলৰ লগত মিলা-প্ৰীতিও বাঢ়ে।

**ডাঙৰৰ পৰা জানি লিখা—**

- তেওঁলোকে ল'ৰালিকালত খেলা খেলবোৰৰ নাম (যিবোৰ খেল এতিয়া আৰু খেলা নহয়)।

- বৰ্তমান খেলা খেলবোৰৰ নাম (যিবোৰ আগতে খেলা হোৱা নাছিল)।

নিজৰ ভাগৰ কামখিনি কৰি উঠাৰ পাছত তুমি আৰু যি সময় পোৱা সেইখিনিয়েই হ'ল আজৰি সময়। তোমালোকৰ বহুতেই আজৰি সময়ত খেলা-ধূলা কৰি কটোৱা। এতিয়া আজৰি পৰত কৰিব পৰা আন কামলৈ আহোঁ। ঘৰত থকা সময়খিনিত তোমালোকে পাঠ্যপুথিৰ বাহিৰে আন কিতাপ পঢ়ানে? উদাহৰণস্বৰূপে- সাধুকথা, দেশ ফুৰাৰ কাহিনী, ছবি থকা কিতাপ আৰু শিশুৰ বাবে লিখা আলোচনী আদি। বাতৰি কাকতত থকা শিশুৰ শিতানটো কেতিয়াবা পঢ়ি পাইছানে? আজৰি সময়ত এনেবিলাক পঢ়ি বহুতো নজনা কথা জানিব পাৰি। নিজৰ ঘৰত নাথাকিলে পুথিভঁৰালৰ পৰা এনেধৰণৰ কিতাপ, আলোচনী আনি পঢ়িব পাৰা।




➤ তুমি জনা এখন অসমীয়া বাতৰি কাকতৰ নাম লিখা..........................................

➤ তুমি পঢ়া এখন সাধু কিতাপৰ নাম লিখা..........................................



তোমালোকে বাৰু ছবি আঁকানে? ছবি অঁকাটো সময় কটোৱাৰ এটা ভাল উপায়। তোমালোকৰ কোনোবাই হয়তো সৰু সৰু পদ্যও ৰচনা কৰা। কোনো কোনোৱে গানো গোৱা। খচি লোৱা কুমাৰ মাটি অথবা পুটিনেৰে পুতলা-মূৰ্তি, অন্যান্য সামগ্ৰী গঢ় দি পাইছানে বাৰু? এনেবিলাক কামে মানুহৰ নতুন নতুন সৃষ্টি কৰিব পৰা গুণটো বঢ়াই তোলে। ইয়াৰ উপৰি নিজৰ ওপৰত থকা বিশ্বাসো বঢ়ায়। এই গোটেইবিলাকেই হৈছে আজৰি পৰৰ কাম।

➤ আজৰি সময়ত তোমালোকে কি কি কাম কৰি ভাল পোৱা কোৱা।



আজৰি সময়ত আন কিছুমান ভাল লগা আৰু প্ৰয়োজনীয় কাম কৰিব পাৰি। যেনে— মা-দেউতাক ঘৰুৱা কামত সহায় কৰা, নিজৰ বয়-বস্তুবোৰ পৰিপাটিকৈ থোৱা, গছ পুলি ৰোৱা, ফুলনি বাগিচাৰ যত্ন লোৱা আদি।

ৰেডিঅ'ত শিশুসকলৰ কাৰণে উপযোগী কৰি কিছুমান অনুষ্ঠান প্ৰচাৰ কৰা হয়। অকণিৰ মেল, চেমনীয়াৰ চ'ৰা, সেউজী চ'ৰা আদি তেনেধৰণৰ অনুষ্ঠান। এনেধৰণৰ অনুষ্ঠান শুনি কেৱল আমোদ পোৱাই নহয় বহুতো নতুন কথা শিকিব পাৰি। ৰেডিঅ'ৰ দৰে টেলিভিছনতো শিশুৰ উপযোগী অনুষ্ঠান প্ৰচাৰ কৰা হয়। আজিকালি 'কুইজ' নামৰ এটা অনুষ্ঠান সকলোৰে প্ৰিয় হৈ উঠিছে। কুইজৰ পৰা আমাৰ জ্ঞানৰ ভঁৰাল অতি চহকী হয়। এই অনুষ্ঠানবোৰ আজৰি সময়তে চোৱা ভাল।

ওপৰৰ আলোচনাৰ পৰা আমি কি বুজিলোঁ বাৰু?

নিতৌ কৰিবলগীয়া কামবোৰ কৰাৰ পিছত কিছু সময় হাতত ৰৈ যায়, সেয়ে **আজৰি সময়**। এনে আজৰি সময়খিনি অন্য কিছুমান ভাল লগা কামত খটুৱাব পাৰি। তেনে কৰিলে আজৰি সময়খিনি অবাবতে নাযায়। আজৰি সময়ত কৰা কামবিলাকে অন্যান্য লাভৰ উপৰি কাম কৰাৰ প্ৰতি ধাউতি বঢ়ায়।

### জানি লওঁ আহা—




- আজৰি সময়ত কৰা কামে মনত আনন্দ দিয়ে।
- কিতাপ, আলোচনী আদি পঢ়িলে বহুতো নতুন কথা জানিব পাৰি।
- বাতৰি কাকত পঢ়ি বহুত খবৰ পোৱা যায়।
- ৰেডিঅ' আৰু টেলিভিছনত প্ৰচাৰ কৰা শিশু অনুষ্ঠানসমূহ আজৰি সময়ত চোৱা ভাল।
- আজৰি সময়ত পদ্য-কাহিনী আদি লিখা, ছবি অঁকা, গীত গোৱা, নাচ শিকা, অভিনয় কৰিবলৈ শিকা আদি কামবোৰ কৰিলে মানুহৰ নিজৰ গুণাৱলী বাঢ়ে।
- আজৰি সময়ত ভ্ৰমণৰ যোগেদি বহুত কথা শিকিব পাৰি।

### ক্ৰিয়া-কলাপ


- এখন বগা কাগজ লোৱা ।
- তোমাৰ বুঢ়া আঙুলিৰ মূৰত চিয়াঁহী লগাই কাগজখনত কিছুমান ছাপ মাৰা ।
- এনেকুৱা ছাপৰ সহায়ত কাষত দেখুওৱাৰ দৰে বহুতো ছবি আঁকিব পাৰিবা।
















আজিকালি জন্মদিন, নতুন বছৰ আৰু উৎসৱ আদিতো বন্ধু-বান্ধবী অথবা আত্মীয়-স্বজনলৈ শুভেচ্ছা কাৰ্ড পঠিওৱা হয়। এনেকুৱা কাৰ্ডত ছাপ মৰা ছবি আঁকি দিলে কাৰ্ডখন আৰু শুৱনি হ'ব।

নিতৌ কৰিবলগীয়া কামবোৰৰ পিছত কিছু আজৰি সময় পোৱা যায় । এই সময়বোৰ অবাবত নষ্ট কৰিব নালাগে । আজৰি সময়ত কৰি ভালপোৱা আৰু উপকাৰ হোৱা কামবোৰ কৰিলে আমাৰ বহুত লাভ হয়। সেই কাৰণে কোৱা হয় **'সময় অমূল্য ধন'**।

## অনুশীলনী

১) উত্তৰ লিখা—

(ক) আজৰি সময়ত তোমালোকে পঢ়া এখন কিতাপৰ নাম

(খ) তুমি ভালপোৱা দুটা খেলৰ

(গ) তুমি জনা অসমৰ এগৰাকী খেলুৱৈৰ নাম আৰু তেওঁ খেলা খেলৰ নাম

(ঘ) তুমি জনা এখন শিশু আলোচনীৰ নাম

(ঙ) তুমি খেলা কিছুমান খেলৰ নাম

২) শুদ্ধ উত্তৰটোত '✓' চিন দিয়া —

(ক) আজৰি সময়ত কৰা কামে মনত আনন্দ দিয়ে।

(খ) আজৰি সময়ত কৰা ভ্ৰমণৰ যোগেদি বহুত কথা শিকিব পাৰি।

(গ) পুথিভঁৰালৰ পৰা কিতাপ আনি ঘৰত পঢ়িব নোৱাৰি।

৩) খালী ঠাই পূৰ কৰা —

(ক) সময় ........................................... ধন।

(খ) সময়বোৰ অবাবত ........................................... কৰিব নালাগে।

(গ) বাতৰি কাকত পঢ়ি বহুত ........................................ জানিব পাৰি।

(ঘ) নিজৰ ভাগৰ কামখিনি কৰি উঠাৰ পাছত যি সময় পোৱা যায় সেয়াই হ'ল............................।

৪) বাতৰি কাকত, আলোচনী আদি পঢ়িলে কি কি লাভ হয় লিখা।

৫) যোৱা বছৰ স্কুলৰ বাৰ্ষিক খেল-ধেমালিত তুমি কি কি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিলা লিখা।

৬) দলত আলোচনা কৰি তলত দিয়া বিষয় কেইটাক লৈ দুটাকৈ বাক্য লিখা —

(ক) পুথিভঁৰাল

(খ) খেল-ধেমালি

(গ) বাতৰি কাকত